# REGIONAL NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

Date : 14-12-2025

**Time :** 1205 Hrs.

## *Assamese Midday Bulletin*

## HEADLINE

১। ৰাজ্যত কেইবাটাও প্ৰকল্প উদ্বোধন আৰু আধাৰশিলা স্থাপনৰ বাবে অহা ২০ ডিচেম্বৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আগমণ।

২। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ চতুৰ্দশ ডিব্ৰুগড় গ্ৰন্থমেলাত অংশগ্ৰহণ।

৩। ধেমাজি জিলাৰ জোনাইৰ ডিপা আৰু মঙলদৈৰ ৰাষ্ট্ৰীয় ঘাইপথত সংঘটিত দুটা সুকীয়া পথ দুৰ্ঘটনাত ৩ জনৰ মৃত্যু।

*আৰু*

৪। ধৰমশালাত আজি ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ চলিত পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেল।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী দুদিনীয়া ভ্ৰমণসূচীৰে কেইবাটাও প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপনৰ বাবে অসমলৈ আহিব। প্ৰধানমন্ত্ৰীয়ে ২০ ডিচেম্বৰত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ নৱনিৰ্মিত টাৰ্মিনেল উদ্বোধন কৰিব আৰু বিমান বন্দৰ চৌহদত গোপীনাথ বৰদলৈৰ এটা প্ৰতিমূৰ্তিও উন্মোচন কৰিব। প্ৰধানমন্ত্ৰীৰ অসম ভ্ৰমণৰ প্ৰাকক্ষণত বৰঝাৰ বিমান বন্দৰত ৰাজ্যৰ কেইবাজনো মন্ত্ৰী উপস্থিত হৈ বিমান বন্দৰ চৌহদ পৰ্যবেক্ষণ কৰে। মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা, চন্দ্ৰমোহন পাটোৱাৰী, কেশৱ মহন্ত, ৰাজ্যৰ মুখ্য সচিব ৰবি কোটাই বিমান বন্দৰৰ নৱনিৰ্মিত টাৰ্মিনেলটো পৰ্যবেক্ষণ কৰি আৰক্ষীৰ সৈতে নিৰাপত্তা সন্দৰ্ভত আলোচনা কৰিবলৈ বৈঠকত মিলিত হয়।

প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে অহা ২১ ডিচেম্বৰত নামৰূপৰ এম'নিয়া ইউৰিয়া প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। প্ৰধানমন্ত্ৰীৰ আগমনৰ পৰিপ্ৰেক্ষিতত কালি চাবুৱা, লাহোৱাল সমষ্টিৰ বিধায়ক বিনোদ হাজৰিকাৰ বাসগৃহত দলীয় কৰ্মকৰ্তাসকলৰ সৈতে ৰাজ্য চৰকাৰৰ কেবিনেট মন্ত্ৰী প্ৰশান্ত ফুকন বিশেষ আলোচনাত মিলিত হয়। প্ৰধানমন্ত্ৰীয়ে অংশগ্ৰহণ কৰিবলগীয়া অনুষ্ঠানটি সুচাৰুৰূপে চলাই নিয়াৰ বাবে মন্ত্ৰীগৰাকীৰ উপস্থিতিত অনুষ্ঠিত গুৰুত্বপূৰ্ণ বৈঠকখনত সকলো কৰ্মকৰ্তাকে নিজ নিজ দায়িত্বসমূহ ভগাই দিয়া হয়। মন্ত্ৰী ফুকনে সকলোকে সুকলমে নিজ নিজ দায়িত্ব পালন কৰিবলৈ আৰু প্ৰধানমন্ত্ৰী অসম আগমনৰ এই ক্ষণ ঐতিহাসিক হিচাপে চিহ্নিত কৰি তুলিবলৈ সকলোৰে প্ৰতি আহ্বান জনায়। উল্লেখযোগ্য যে, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাইও প্ৰধানমন্ত্ৰীগৰাকীৰ আগমনক লৈ ক্ষেত্ৰ পৰিদৰ্শন কৰি সমগ্ৰ প্ৰস্তুতি সম্পৰ্কে বুজ লয়। তেওঁ উচ্চ পদস্থ বিষয়াবৰ্গৰ সৈতে এই

সন্দৰ্ভত এখন বৈঠকতো মিলিত হৈছিল। প্ৰধানমন্ত্ৰীৰ আগমন সন্দৰ্ভত ডিব্ৰুগড় জিলাৰ আটাইকেইটা বিধানসভা সমষ্টিৰ বিধায়কসকলে নিজ নিজ অঞ্চলত প্ৰস্তুতি সম্পৰ্কে অৱগত হ'বলৈ মিলিত হৈছে।

০০০০০

মেচ ফিক্সিঙৰ অভিযোগত অসম ক্ৰিকেট সন্থাই তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ ৪ জন খেলুৱৈক নিলম্বন কৰিছে। লক্ষ্ণৌত অনুষ্ঠিত মুস্তাক আলী ট্ৰফীৰ প্ৰাথমিক পৰ্যায়ৰ খেলৰ সময়ত অসম দলৰ একাংশ খেলুৱৈক মেচ ফিক্সিং কৰিবলৈ প্ৰলোভিত কৰাৰ অভিযোগ উত্থাপিত হৈছিল। ইয়াৰ পাছতে অসম ক্ৰিকেট সন্থাই অমিত সিনহা, ঈশান আহমেদ, অমন ত্ৰিপাঠী আৰু অভিষেক ঠাকুৰক নিলম্বন কৰিছে। মেচ ফিক্সিঙৰ এই অভিযোগ লাভ কৰাৰ পাছতেই বিচিচিআইৰ দুৰ্নীতি বিৰোধী আৰু নিৰাপত্তা গোটে সমগ্ৰ ঘটনাটো সন্দৰ্ভত তদন্ত চলায়। একে সময়তে অসম ক্ৰিকেট সন্থাইও এই অভিযোগ সন্দৰ্ভত তদন্ত চলাই ৪ গৰাকী খেলুৱৈ অনিময়ত লিপ্ত থকা বুলি তথ্য লাভ কৰে। অসম ক্ৰিকেট সন্থাই খেলুৱৈ ৪ গৰাকীক দলৰ পৰা নিলম্বন কৰাৰ লগতে মহানগৰ আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাত এজাহাৰ দাখিল কৰে। প্ৰাক্তন ৰঞ্জী খেলুৱৈ অমিত সিনহাই অসমক প্ৰতিনিধিত্ব কৰি ৩২ খন খেলত অংশগ্ৰহণ কৰিছিল। শিলচৰৰ অভিষেক ঠাকুৰ চলিত ৰঞ্জী ট্ৰফীত অসম দলৰ সদস্য। ডিব্ৰুগড়ৰ ঈশান আহমেদ আৰু অমন ত্ৰিপাঠী বৰ্তমান ক্লাব পৰ্যায়ৰ অসম দলৰ খেলুৱৈ। এই অভিযোগৰ পাছতে অসম ক্ৰিকেট সন্থাৰ সভাপতি তৰংগ গগৈয়ে ৪ খেলুৱৈকে সন্থাটোৰ পৰা সকলো ধৰণৰ খেলৰ লগতে কাম-কাজৰ পৰা নিলম্বিত কৰা বুলি প্ৰতিক্ৰিয়া প্ৰকাশ কৰে।

*ঃ বাইট (তৰংগ গগৈ) ঃ*

০০০০০

কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ডিব্ৰুগড়ৰ চৌকিদিঙি খেলপথাৰত চলি থকা চতুৰ্দশ ডিব্ৰুগড় গ্ৰন্থমেলাত কালি অংশগ্ৰহণ কৰে। মন্ত্ৰীগৰাকীয়ে গ্ৰন্থমেলাৰ বাকৰিত উপস্থিত হৈ নৱপ্ৰজন্মক গ্ৰন্থ অধ্যয়নৰ বাবে আহ্বান জনায়। তেওঁ কয়, যে গ্ৰন্থ অধ্যয়নৰ অভ্যাসেহে এখন সমাজ শক্তিশালী কৰিব পাৰে। বৰ্তমানৰ প্ৰতিযোগিতাৰ পৃথিৱীখনত সফলতাৰে বৰ্তি থাকিবলৈ হ'লে অধ্যয়নৰ বিকল্প একো নাই বুলি তেওঁ উল্লেখ কৰে। বিয়লিৰ ভাগত গ্ৰন্থমেলাত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উপলক্ষে শিল্পীগৰাকীৰ গীতিসাহিত্য আৰু গায়নশৈলী সন্দৰ্ভত আলোচনা অনুষ্ঠিত হয়। মাজুলী সংস্কৃতিক বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য ড° নিৰোদ বৰুৱাই এই আলোচনা সত্ৰখন উদ্বোধন কৰে।

০০০০০

ধেমাজি জিলাৰ জোনাইৰ ডিপাত যোৱানিশা হোৱা এটা ভয়ংকৰ পথ দূৰ্ঘটনাত দুজন যুৱকৰ মৃত্যু হয়। চিমেন চাপৰিৰ সমীপৰ ডিপাৰ ৫১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত এখন মাৰুতি গাড়ী আৰু টেক্টৰৰ মুখামুখিকৈ সংঘৰ্ষ লগাৰ ফলতেই এই দুৰ্ঘটনাটো সংঘটিত হয়। এই দুৰ্ঘটনাত মৃত্যু হোৱা যুৱক দুজন টি এম পি কে ডেকাপাম আঞ্চলিক সমিতিৰ ছাত্ৰ কৰ্মী বুলি জানিব পৰা গৈছে।

মঙলদৈৰ ইণ্ড্ৰাষ্টি চ'কৰ ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথতো কালি নিশা হোৱা আন এটা পথ দুৰ্ঘটনাত এজন যুৱকৰ মৃত্যু হোৱাৰ লগতে আন এজন গুৰুতৰভাৱে আহত হয়। গুৰুতৰভাৱে আহত যুৱকজনক উন্নত চিকিৎসাৰ বাবে গুৱাহাটীলৈ অনা হৈছে।

০০০০০০

অসম ৰাজ্যিক আইন সেৱা প্ৰাধিকৰণ ডিব্ৰুগড় জিলাৰ সৌজন্যত ডিব্ৰুগড় ন্যায়িক আদালত প্ৰাংগণত কালি ৰাষ্ট্ৰীয় লোক আদালত অনুষ্ঠিত হয়। এই লোক আদালতত বিভিন্ন গোচৰ, বেংকৰ ঋণ পৰিশোধ, দেৱানী গোচৰ, বিত্তীয় লেন-দেন, মটৰ দুৰ্ঘটনা আদি গোচৰৰ লগতে অন্যান্য আপোচ মীমাংসাৰ গোচৰৰ নিষ্পত্তিৰ ব্যৱস্থা কৰা হয়। এই লোক আদালতত বহুলোকে অংশগ্ৰহণ কৰি আইনৰ সুবিধা গ্ৰহণ কৰে।

oooooo

অনুকম্পামূলক নিয়োগ লাভ কৰা কোনো ব্যক্তিয়ে উচ্চ পদৰ বাবে দাবী কৰিব নোৱাৰে বুলি উচ্চতম ন্যায়ালয়ে স্পষ্ট কৰি দিছে। তামিলনাডুৰ এগৰাকী ব্যক্তি নিযুক্তি সন্দৰ্ভত ন্যায়ালয়ৰ দ্বাৰস্থ হোৱাৰ পাছতে উচ্চতম ন্যায়ালয়ে এই বিষয়ত ৰায়দান কৰে। ন্যায়ালয়ে কৈছে যে, অনুকম্পামূলক নিয়োগ, সাধাৰণ নিয়োগ প্ৰক্ৰিয়াৰ ব্যতিক্ৰম, যাৰ মূল উদ্দেশ্যে হৈছে মৃত কৰ্মচাৰীৰ পৰিয়ালক তাৎক্ষণিক আৰ্থিক সাহায্য আগবঢ়োৱা। অনুকম্পামূলক নিয়োগৰ বাবে আৱেদনকাৰীৰ অধিকাৰ পুনৰ বিবেচনাৰ কোনো প্ৰয়োজন নাথাকে বুলিও ন্যায়ালয়ে লগতে প্ৰকাশ কৰিছে।

ooooooo

বিশ্ব স্বাস্থ্য সুৰক্ষা দিৱস উপলক্ষে লখিমপুৰৰ জিলা আইনী সেৱা প্ৰাধিকৰণৰ অৰ্ধ আইনীসেৱা স্বেচ্ছাসেৱক চমুকৈ পি এল ভি সকলে বিভিন্ন অঞ্চলত আইনী স্বাক্ষৰতা কাৰ্যকলাপ আৰু সজাগতামূলক কাৰ্যসূচী গ্ৰহণ কৰে। এই কাৰ্যসূচীৰ জৰিয়তে স্থানীয় লোকসকলৰ মাজত গুণগত স্বাস্থ্য যতন সেৱা, চৰকাৰী স্বাস্থ্য আঁচনি আৰু স্বাস্থ্য বিষয়ক আইনী অধিকাৰ সন্দৰ্ভত সজাগতা সৃষ্টিৰ প্ৰয়াস কৰা হয়।

ooooooo

আকাশবাণীৰ সঞ্চালক প্ৰধানৰ নিৰ্দেশ মৰ্মে বাতৰি বিভাগে আৰম্ভ কৰা বিশেষ প্ৰাসঙ্গিক অনুষ্ঠানত আজি বিয়লি ৩ বাজি ৫ মিনিটত বাক্সা জিলাত ৰূপায়িত বিভিন্ন উন্নয়নমূলক আঁচনি সন্দৰ্ভত জিলাখনৰ গ্ৰামোন্নয়ন অভিকৰণৰ ভাৰপ্ৰাপ্ত প্ৰকল্প সঞ্চালক মুস্তাফুজ আলিম আহমেদৰ সৈতে এটি সাক্ষাৎকাৰ প্ৰচাৰ কৰা হ'ব। সাক্ষাৎ গ্ৰহণ কৰিছে আমাৰ বাক্সা জিলাৰ সংবাদদাতা দামোদৰ তালুকদাৰে। অনুষ্ঠানটি নিশা ৯ বাজি ১৫ মিনিটত পুনৰ প্ৰচাৰ কৰা হ'ব।

ooooo

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ চলিত পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ আজি তৃতীয়খন খেল ধৰমশালাৰ হিমাচল প্ৰদেশ ক্ৰিকেট এছোচিয়েন ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। পাঁচখনীয়া এই শৃংখলাত দুয়োটা দলে বৰ্তমান ১-১ত সমতা স্থাপন কৰি আছে। শৃংখলাৰ চতুৰ্থখন খেল অহা বুধবাৰে লক্ষ্ণৌত আৰু পঞ্চম তথা অন্তিম খেলখন অহা শুকুৰবাৰে আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত হ'ব।

ডুবাইত ভাৰত আৰু পাকিস্তানৰ মাজত অনুষ্ঠিত ১৯ বছৰ অনুৰ্ধৰ এদিনীয়া খেলখনত ভাৰতে এই বাতৰি যুগুতোৱাৰ পৰলৈ ১০ অভাৰ আৰু ৩ টা বলত দুটা উইকেট হেৰুৱাই ৮০ ৰান কৰে।

ooooo

ওৰাং ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ প্ৰকল্পৰ পৰা ঢেকিয়াপতীয়া বাঘ এটা ওলাই গৈ যোৱা কেইবাদিনো ধৰি কৌপাতি অঞ্চলত বিচৰণ কৰি ফুৰাত অঞ্চলটোৰ বাসিন্দাসকলৰ মাজত ত্ৰাসৰ সৃষ্টি হৈছে। বাঘটোৱে পোহনীয়া ছাগলী নিধন কৰাৰ পাছত অঞ্চলটোৰ ৰাইজে বন বিভাগ তথা প্ৰশাসনক এই সন্দৰ্ভত অৱগত কৰায়। এনে প্ৰেক্ষপটত ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই বাঘটো নিৰাপদে আৱদ্ধ কৰাৰ বাবে পিঞ্জৰা স্থাপন কৰা বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে।

০০০০০

**সমাপ্ত**